Total No. of printed pages = 4

4 (Sem 3) FASM-II

2015

# ASSAMESE

(Functional MIL - II)

Paper – 302

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) 'ইংলণ্ডৰ বিৱৰণ' পাঠটিত দিয়া তথ্য অনুসৰি সেই সময়ত ইংলণ্ড দেশৰ জনসংখ্যা কিমান আছিল ?

(খ) অসম অধিকাৰ কৰিবৰ কাৰণে ঔৰংজেৱে কাক পঠিয়াইছিল ?

(গ) 'প্লেৰী' এনে গধুৰ আৰু জধলা যে তাক অলংকাৰ নুবুলি কি বোলা যুগুত ?

(ঘ) ইংলণ্ড দেশক কিমান প্ৰদেশত ভাগ কৰা হৈছে ?

(ঙ) কাক ভগনীয়া ৰজা বোলা হয় ?

[Turn over

২। অতি চমুকৈ বুজাই লিখা ঃ ২×৫=১০

(ক) ইংলণ্ডৰ ৰাজ্য শাসনৰ বিষয়ে চমুকৈ লিখা।

(খ) পূৰ্বকালত অসমীয়া তিৰোতা চোতাল কুৰঁৰী আছিল বুলি ভবা ধাৰণা সত্য নে?

(গ) নিজৰ বুদ্ধিক কিহৰ খুটিৰ লগত তুলনা কৰা হৈছে? সেই বুদ্ধি কেনেকুৱা হোৱা উচিত?

(ঘ) চালুকীয়া ল'ৰাক লোৰ সজাত ভৰাই থলে কি হোৱাৰ ভয় নাথাকে?

(ঙ) ৰামসিংহৰ ওচৰলৈ পঠিওৱা অসমীয়া ক'টকী দুগৰাকী কোন?

৩। চমুকৈ বুজাই লিখা ঃ (যি কোনো **চাৰিটা**) ৫×৪=২০

(ক) "আন সকলো কথাতকৈ ইংৰাজৰ বুৰঞ্জিত জনা বৰ আৱশ্যক।"—'ইংলণ্ডৰ বিৱৰণ' নামৰ পাঠটিৰ এই উদ্ধৃতিৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) শৰাইঘাটৰ সমস্যাবোৰ কেনে ধৰণৰ আছিল আৰু এতিয়াৰ সমস্যাবোৰ কেনে ধৰণৰ?

(গ) সৈন্যৰ প্ৰাণ-মন যাতে বিচলিত নহয়, তাৰ বাবে লাচিত বৰফুকনে কেনেদৰে চেষ্টা কৰিছিল বুজাই লিখা।

(ঘ) "জীৱনৰ বাটত ক্ষুদ্ৰ - বৃহৎ এনে বহুত কথা পোৱা যাব, যাৰ মীমাংসা তুমি নিজেই কৰিব লাগিব"— কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।



(ঙ) 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' পাঠটিত কেনে লোকক সৌভাগ্যবান বুলি কোৱা হৈছে মুকলিকৈ বুজাই লিখা।

(চ) "এই দেস যি দৰৰ ইংলণ্ড দেস সেই দৰৰ নহই আৰু আটাই কথাতে লৰ।" 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ আধাৰত বুজাই লিখা।

৪। কেনে বহল অৰ্থত লিখকে শৰাইঘাট নাই, কিন্তু শৰাইঘাট আছে বুলি কৈছে বুজাই লিখা। ১০

অথবা

অসমীয়াৰ দুৰৱস্থাৰ প্ৰথম তিনিটা কাৰণ 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ আধাৰত বুজাই লিখা।

৫। তলত দিয়া বাণিজ্যিক লেন-দেন সম্পৰ্কীয় শব্দবোৰৰ অৰ্থসহ একোটি চমু টোকা লিখা ঃ (যি কোনো **পাঁচটা**) ৩×৫=১৫

Agenda, Annual return, Working capital, Agreement, Demand draft, Subsidy, Balance Sheet, Quorum.

৬। তলত দিয়া ধৰণে এখন পত্ৰ লিখা ঃ ১০

(পত্ৰত তোমাৰ নিজৰ নাম-ঠিকনা ব্যৱহাৰ নকৰি গোলাপ ব্ৰহ্ম, সোনাপুৰ, জিলা—কামৰূপ (মহানগৰ), অসম লিখিবা।)

তুমি হস্ত, তাঁত আৰু ৰেচম শিল্পৰ এটি প্ৰতিষ্ঠান স্থাপন কৰিবলৈ বিচাৰিছা। প্ৰতিষ্ঠানটোৰ বাবে ঋণ বিচাৰি এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা ব্যৱস্থাপকলৈ এখন আবেদন পত্ৰ লিখা।

অথবা

তোমাৰ অঞ্চলত এখন কাৰিকৰী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আৱশ্যকতা অনুভৱ কৰিছা। ইয়াৰ বাবে অনুৰোধ জনাই অসম চৰকাৰৰ কাৰিকৰী শিক্ষা বিভাগৰ সঞ্চালকলৈ (কাহিলীপাৰা, গুৱাহাটী-১৯) এখন আবেদন পত্ৰ লিখা।

৭। সাৰাংশ লিখা ঃ ১০

জীৱনী পাঠৰ উপকাৰিতাৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ দিশটো হ'ল এই যে, জীৱনীত এগৰাকী ব্যক্তিক নিচেই ওচৰৰ পৰা বা অতি অন্তৰংগ ৰূপত আমি জানিব পাৰোঁ। লোকক জনাৰ কৌতুহল মানুহৰ মনত অতি তীব্ৰ। জীৱনী পাঠৰ সহায়ত এজন লোকক আমি হাড়ে-হিমজুৰে চিনি পাব পৰা হওঁ। ইতিহাস বা বাতৰিকাকতৰ খবৰৰ পৰা মানুহ এজনৰ বিষয়ে আমি যি জানোঁ, মানুহ এজনক জানিবলৈ সেইখিনিয়েই যথেষ্ট নহয়। এইবোৰৰ পৰা মানুহজনক বাহিৰৰ পৰা বা উপৰুৱা ভাৱেহে আমি জানিব পাৰোঁ। ভাল জীৱনী এখনত কিন্তু তাৰ নায়কক আমি বাহিৰ আৰু ভিতৰ—দুয়োপিনৰ পৰাই জানিব পাৰোঁ। তেওঁৰ প্ৰকাশিত মতামত বা ৰাজহুৱা ভাৱে কোৱা কথা আৰু তেওঁৰ ৰাজহুৱা ভাৱে কৰা কাৰ্যাবলীৰ বিৱৰণৰ পৰা আমি তেওঁক বাহিৰৰ পৰা জানোঁ। আৰু ইপিনে তেওঁৰ ঘৰুৱা জীৱনৰ আচাৰ-ব্যৱহাৰ, ডায়েৰি, চিঠি আদিত প্ৰকাশ পোৱা ভাব-অনুভূতিৰ পৰা, ভিতৰৰ পৰাও তেওঁক অন্তৰংগ ভাৱে জানিব পাৰোঁ। মানুহ এজনক খৰচি মাৰি জানিবলৈ, মানুহ এজনৰ বিষয়ে সম্পূৰ্ণ জ্ঞান আহৰণ কৰিবলৈ জীৱনী পাঠ সেইবাবেই অপৰিহাৰ্য। মানুহক জনাৰ আৰু মানুহক জানি জীৱন আৰু সমাজ সম্পৰ্কে জ্ঞান আহৰণ কৰিবৰ বাবে আদৰ্শ পাঠ হ'ল জীৱনী। সেয়েহে জীৱনীৰ পঠন বা অধ্যয়ন সকলো বয়সৰ লোকৰ বাবেই প্ৰয়োজনীয়।